# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-01-2025
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। গণৰাজ্য দিৱসৰ পেৰেডৰ বাবেও ইতিমধ্যে অনুশীলন সম্পূৰ্ণ হৈছে। পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় গণৰাজ্য দিৱস উদযাপনৰ বাবে সমগ্ৰ চহৰখনেই সুন্দৰভাৱে সজাই-পৰাই তোলা হৈছে। ইপিনে, খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থাকে ধৰি যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

সমগ্ৰ দেশতে কাইলৈ পঞ্চদশ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস পালন কৰা হ'ব। দেশত মুঠ ভোটদাতাৰ সংখ্যা প্ৰায় ১০০ কোটি হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস বিশেষভাৱে পালন কৰা হ'ব। এই বছৰৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূলমন্ত্ৰ হৈছে **ভোটদানৰ দৰে একোৱেই নহয়, মই নিশ্চিতভাৱে ভোটদান কৰিম**। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূল কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত আইন আৰু ন্যায় বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু আন নিৰ্বাচন আয়ুক্তসকলে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ পূৰ্ব-সন্ধিয়া দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নিশা ৮ বজাত আকাশবাণীযোগে বিশেষ বাৰ্তা প্ৰচাৰ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বজাৰ আমাৰ মুখ্য বাতৰি প্ৰচাৰ কৰা নহয়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তেওঁৰ জাপান ভ্ৰমণৰ তৃতীয় দিনা দেশখনৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ সংসদীয় উপমন্ত্ৰী আকিকু ইকুইনাকে ধৰি কেইবাগৰাকীও শীৰ্ষ উদ্যোগপতিক সাক্ষাৎ কৰে। ড০ শৰ্মাই সংসদীয় উপমন্ত্ৰীগৰাকীৰ সৈতে হোৱা সাক্ষাৎকালত ভাৰত তথা অসমৰ যুৱ আৰু দক্ষ কৰ্ম শক্তিক জাপানত

কাম কৰাৰ সুযোগ প্ৰদান সন্দৰ্ভত মত বিনিময় কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে দেশখনৰ এটা আগশাৰীৰ বিত্তিয় প্ৰতিষ্ঠান, মিঝুহু ছিকিউৰিটিজ ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত অসমৰ কোম্পানীসমূহলৈ ক্ৰেডিট সুবিধা প্ৰদান আৰু জাপানী কোম্পানীৰ অসমত বিনিয়োগৰ ধাৰাবাহিকতা নিশ্চিত কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই জাপানী বৈদ্যুতিক অভিযান্ত্ৰিক প্ৰতিষ্ঠান য়'ক'গাৱাৰ উপাধ্যক্ষ য়োছিয়াকি আছাকুৰাৰ সৈতেও বৈঠকত মিলিত হয়। নুমলীগড় শোধনাগাৰ আৰু ভাৰতীয় তৈল নিগম লিমিটেডৰ সৈতে সহযোগিতামূলকভাৱে অসমত কাম কৰি থকা এই প্ৰতিষ্ঠানটোক ৰাজ্যৰ ক্ৰমবৰ্ধমান বৈদ্যুতিক আৰু শক্তিখণ্ডক সমৰ্থন আগবঢ়াবলৈ মুখ্যমন্ত্ৰী শৰ্মাই অনুৰোধ জনায়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত মুখ্যমন্ত্ৰীয়ে টকিঅ' ইলেকট্ৰন নামৰ প্ৰতিষ্ঠানটোৰ কাৰ্যবাহী উপাধ্যক্ষক সাক্ষাৎ কৰে।

০০০০০

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ উদ্যোগত আৰু শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান আশ্বাসন কোষৰ সহযোগত আজি মহাবিদ্যালয়খনত এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। বহনক্ষম উন্নয়ন আৰু পৰিবেশ বিষয়ক এই কৰ্মশালাখনত বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক পৰিবেশ সংৰক্ষণ, পৰিবেশ প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত সজাগ আৰু সচেতন কৰি তোলাৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড০ অৰূপ মিশ্ৰই পৰিবেশ সংৰক্ষণৰ সুক্ষ্ম দিশ সন্দৰ্ভত আলোচনা কৰাৰ লগতে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সজাগ হ'বলৈ আহ্বান জনায়। কৰ্মশালাৰ অংশ হিচাপে আয়োজন কৰা আন এটা অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে সন্মানিত অৰণ্য মানৱ যাদৱ পায়েঙৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলে মত-বিনিময় কৰে। কৰ্মশালাত বিভিন্ন বিদ্যালয়ৰ ৩০টা দলে বিজ্ঞান প্ৰদৰ্শনীতো অংশগ্ৰহণ কৰে।

০০০০০

মাজুলী কৃষি বিভাগৰ উদ্যোগত উদ্যোন শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ ৰাষ্ট্ৰীয় মৌ পালন আৰু মৌ অভিযান আঁচনিৰ অধীনত গড়মূৰৰ সৰুসত্ৰ প্ৰেক্ষাগৃহত দুদিনীয়াকৈ বৈজ্ঞানিকভাৱে মৌ পালনৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীত আজি প্ৰথম দিনা অতিৰিক্ত জিলা আয়ুক্ত, জিলা কৃষি বিষয়া আৰু কৃষি উন্নয়ন বিষয়া উপস্থিত থাকে। কৰ্মশালাত কেইবাজনো অভিজ্ঞ মৌ পালক আৰু আগ্ৰহী কৃষকে অংশগ্ৰহণ কৰিছে।

০০০০০

সৰ্বভাৰতীয় ঔষধ ব্যৱসায়ী সন্থাই আয়োজন কৰা ৰক্তদান কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি শিৱসাগৰত ৰক্তদান শিবিৰ অনুষ্ঠিত হৈছে। সৰ্বভাৰতীয় ঔষধ ব্যৱসায়ী সন্থাৰ ৫০ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে সন্থাটোৱে ৭৫ হাজাৰ ইউনিট ৰক্তদানেৰে বিশ্ব ৰেকৰ্ড গঢ়াৰ পৰিকল্পনা কৰিছে। ইয়াৰে অংশস্বৰূপে ৰাজ্যৰ আন আন ঠাইৰ লগতে শিৱসাগৰৰ দৌলমুখ চাৰিআলিৰ জয়দয়াল খেমকা মাতৃ সেৱা সদনত অনুষ্ঠিত শিবিৰত আজি সন্থাৰ বিষয়ববীয়াসকলৰ লগতে সৰ্বসাধাৰণ ৰাইজে ৰক্তদান কৰে।

০০০০০

সমাপ্ত